**22E—LOPH**

# 2022

# LOGIC AND PHILOSOPHY

**( Theory )**

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**ALLOTMENT OF MARKS**

| | | | |
|---|---|---|---|
| Q. No. **1** carries *1* mark each | : | 1×12 = | 12 |
| Q. Nos. **2–13** carry *2* marks each | : | 2×12 = | 24 |
| Q. Nos. **14–23** carry *4* marks each | : | 4×10 = | 40 |
| Q. Nos. **24–27** carry *6* marks each | : | 6×4 = | 24 |
| | | Total = | 100 |

1. Answer the following as directed : 1×12=12

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া :

(a) Logic is a _____ science.

( Fill in the blank )

তৰ্কবিজ্ঞান হ'ল এটা _____ বিজ্ঞান।

( খালী ঠাই পূৰণ কৰা )

(b) Universal negative proposition is represented by the symbol _____.

( Fill in the blank )

সাৰ্বিক নঞৰ্থক বচনক _____ সাংকেতিক চিনেৰে প্ৰকাশ কৰা হয়।

( খালী ঠাই পূৰণ কৰা )

(c) Give an example of one-predicate general proposition.

এক বিধেয়যুক্ত সাধাৰণ বচনৰ এটা উদাহৰণ দিয়া।

(d) What is the name of the subject of the conclusion of a syllogism?

ন্যায়ৰ সিদ্ধান্তৰ উদ্দেশ্য পদটোৰ নাম কি?

(e) In a categorical syllogism from two particular propositions / universal propositions no conclusion can be drawn.

( Choose the correct answer )

এটা নিৰপেক্ষ ন্যায়ত দুটা বিশেষ বচন / সামান্য বচনৰ পৰা সিদ্ধান্ত পোৱা নাযায়।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(f) FERIO is a valid mood of the First / Second / Third Figure.

( Choose the correct answer )

FERIO প্ৰথম / দ্বিতীয় / তৃতীয় সংস্থানৰ বৈধ মূৰ্তি।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )





(g) Every logical connective connects only _____ propositions.

( Fill in the blank )

প্ৰত্যেকটো তৰ্কীয় সংযোজকেই কেৱল _____ বচনহে সংযোগ কৰে।

( খালী ঠাই পূৰণ কৰা )

(h) What is the derivative meaning of the word 'Philosophy'?

'Philosophy' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(i) The founder of Yoga philosophy is _____.

( Fill in the blank )

যোগ দৰ্শনৰ প্ৰতিষ্ঠাতা হৈছে _____।

( খালী ঠাই পূৰণ কৰা )

(j) "Monads are windowless." Who said this statement?

"ম'নাডবোৰ হৈছে গবাক্ষবিহীন বা খিৰিকীবিহীন।" এই বাক্যশাৰী কোনে কৈছিল?

(k) In Indian philosophy, valid knowledge is known as _____.

( Fill in the blank )

ভাৰতীয় দৰ্শনত যথাৰ্থ জ্ঞানক _____ বোলা হয়।

( খালী ঠাই পূৰণ কৰা )

(l) The different types of Idealism are _____ Idealism, _____ Idealism and Phenomenalistic Idealism.

( Fill in the blanks )

ভাববাদৰ বিভিন্ন প্ৰকাৰসমূহ হ'ল _____ ভাববাদ, _____ ভাববাদ আৰু অৱভাসিক ভাববাদ।

( খালী ঠাইবোৰ পূৰণ কৰা )

2. State two points of difference between traditional logic and symbolic logic. 1+1=2

পৰম্পৰাগত তৰ্কবিজ্ঞান আৰু প্ৰতীকাত্মক তৰ্কবিজ্ঞানৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।



[ Contd.

3. Classify proposition according to quantity. 2

পৰিমাণ অনুসৰি বচনৰ শ্ৰেণীবিভাজন কৰা।

4. Write two points of difference between sentence and proposition. 1+1=2

বাক্য আৰু বচনৰ মাজৰ দুটা পাৰ্থক্য লিখা।

5. Define conjunctive proposition with example. 2

উদাহৰণৰ সৈতে সংযোজক বচনৰ সংজ্ঞা দিয়া।

6. Write two points of difference between Deductive and Inductive Inference. 1+1=2

নিগমন আৰু আগমনৰ মাজৰ দুটা পাৰ্থক্য লিখা।

7. State two rules of conversion. 1+1=2

সমৱৰ্তনৰ দুটা নিয়ম উল্লেখ কৰা।

8. Write the names of two valid moods of the Second Figure. 1+1=2

দ্বিতীয় সংস্থানৰ দুটা বৈধ মূৰ্তিৰ নাম লিখা।

9. Symbolize the following propositions : 1+1=2

তলত দিয়া বচনকেইটা প্ৰতীকাত্মক ৰূপত প্ৰকাশ কৰা :

*(a)* It is false that the grass is not green.

এইটো মিছা যে ঘাঁহবোৰ সেউজীয়া নহয়।

*(b)* Either I will go to library or attend the seminar.

হয় মই পুথিভঁৰাললৈ যাম অথবা আলোচনাচক্ৰত উপস্থিত থাকিম।





10. Write the names of two Vedic schools. 1+1=2

দুটা বৈদিক সম্প্ৰদায়ৰ নাম লিখা।

11. Give two criticisms of Innate Ideas. 1+1=2

অন্তৰ্জাত ধাৰণাৰ দুটা সমালোচনা আগবঢ়োৱা।

12. Which of the following statements are true? 1+1=2

তলৰ কোনকেইটা উক্তি সত্য?

*(a)* *(i)* "Descartes, Locke, Berkeley and Hume are rationalistic philosopher."

"ডেকাৰ্ট, ল'ক, বাৰ্কলে আৰু হিউম বুদ্ধিবাদী দাৰ্শনিক।"

*(ii)* "Descartes, Spinoza, Leibniz and Wolf are rationalistic philosopher."

"ডেকাৰ্ট, স্পিনোজা, লিব্‌নিজ আৰু ৱলফ বুদ্ধিবাদী দাৰ্শনিক।"

*(b)* *(i)* "Logic is concerned with mediate knowledge, not with immediate knowledge."

"তৰ্কবিজ্ঞান পৰোক্ষ জ্ঞানৰ লগত জড়িত, প্ৰত্যক্ষ জ্ঞানৰ লগত নহয়।"

*(ii)* "Logic is concerned with immediate knowledge, not with mediate knowledge."

"তৰ্কবিজ্ঞান প্ৰত্যক্ষ জ্ঞানৰ লগত জড়িত, পৰোক্ষ জ্ঞানৰ লগত নহয়।"

13. State any two points of difference between Realism and Idealism. 1+1=2

বাস্তৱবাদ আৰু ভাববাদৰ মাজৰ যি কোনো দুটা পাৰ্থক্য উল্লেখ কৰা।

14. Explain the four-fold scheme of proposition. 4

বচনৰ চতুৰ্বৰ্গীয় বিভাজন ব্যাখ্যা কৰা।

**15.** Reduce the following sentences into logical form : 2+2=4

তলৰ বাক্যসমূহ তৰ্কবিজ্ঞানসম্মত বচনলৈ ৰূপান্তৰ কৰা :

*(a)* All that glitters is not gold.

সকলো চকচকীয়া বস্তু সোণ নহয়।

*(b)* Only intelligent students can pass the examination.

কেৱল বুদ্ধিমান ছাত্ৰবোৰেহে এই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে।

**16.** Explain the figure of a syllogism. 4

ন্যায়ৰ সংস্থান ব্যাখ্যা কৰা।

**17.** Distinguish between subject-predicate proposition and class-membership proposition. 4

উদ্দেশ্য-বিধেয় আকাৰৰ বচন আৰু শ্ৰেণী-সদস্যতা বচনৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

**18.** Reduce any *one* of the following syllogistic arguments into logical form and test its validity : 4

নিম্নলিখিত ন্যায় অনুমানৰ যি কোনো এটাক তৰ্কবিজ্ঞানসম্মত ৰূপত পৰিণত কৰা আৰু ইয়াৰ বৈধতা নিৰ্ণয় কৰা :

*(a)* Aristotle was a great logician, since he was a philosopher and all great logicians are philosophers.

এৰিষ্ট'টল এজন ডাঙৰ তৰ্কবিদ আছিল কাৰণ তেওঁ এজন দাৰ্শনিক আছিল আৰু সকলো ডাঙৰ তৰ্কবিদেই দাৰ্শনিক।

*(b)* No kings are poor, but all kings are men, so no men are poor.

কোনো ৰজা দুখীয়া নহয়, কিন্তু সকলো ৰজা হয় মানুহ, গতিকে কোনো মানুহ দুখীয়া নহয়।





**19.** What is truth function? Explain implicative function by giving a truth table for it. 2+2=4

সত্য-ফলন কাক বোলে? সত্য তালিকাসহ নিহিতাৰ্থক বা তাৎপৰ্যমূলক ফলন ব্যাখ্যা কৰা।

**20.** Distinguish between Science and Philosophy. 4

বিজ্ঞান আৰু দৰ্শনৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

**21.** Write a short note on Epistemology. 4

জ্ঞানবিদ্যা বা জ্ঞান-মীমাংসাৰ ওপৰত এটা চমু টোকা লিখা।

**22.** Write four characteristics of Empiricism. 4

অভিজ্ঞতাবাদৰ চাৰিটা বৈশিষ্ট্য লিখা।

**23.** Write short notes on : 2+2=4

চমু টোকা লিখা :

*(a)* Svārthānumāna

স্বাৰ্থানুমান

*(b)* Parārthānumāna

পৰাৰ্থানুমান

**24.** What is a compound proposition? Define each of the different forms of compound proposition with examples. 2+4=6

যৌগিক বচন কাক বোলে? যৌগিক বচনৰ বিভিন্ন প্ৰকাৰসমূহ উদাহৰণেৰে সৈতে সংজ্ঞা দিয়া।

*Or / নাইবা*

Define middle term. Discuss its function in categorical syllogism. 2+4=6

হেতুপদৰ সংজ্ঞা দিয়া। নিৰপেক্ষ ন্যায়ত ইয়াৰ ভূমিকা আলোচনা কৰা।

**25.** Define syllogism. Describe the characteristics of syllogism. 2+4=6

ন্যায়ৰ সংজ্ঞা দিয়া। ন্যায়ৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

*Or / নাইবা*

Discuss Rationalism as a theory of the origin of knowledge. 6

জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় মতবাদ হিচাপে বুদ্ধিবাদ তত্ত্বটো আলোচনা কৰা।

**26.** Discuss the characteristics of symbolic logic. 6

প্ৰতীকাত্মক তৰ্কবিজ্ঞানৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*Or / নাইবা*

Construct truth tables for any *two* of the following propositional forms and find out whether it is tautologous, contradictory or contingent : 3+3=6

তলত দিয়া বচনাত্মক আকাৰসমূহৰ পৰা যি কোনো **দুটাৰ** সত্য তালিকা গঠন কৰা আৰু সেইসমূহ স্বতঃসত্য, স্বতঃমিথ্যা নে অনিৰ্দিষ্ট মানবিশিষ্ট নিৰ্ণয় কৰা :

*(i)* $\sim p \vee q$

*(ii)* $p \supset (p \cdot q)$

*(iii)* $\sim (p \cdot q)$

**27.** Explain any three characteristics of Indian philosophy. 2×3=6

ভাৰতীয় দৰ্শনৰ যি কোনো তিনিটা বৈশিষ্ট্য ব্যাখ্যা কৰা।

*Or / নাইবা*

How many Pramāṇas are accepted in Indian philosophy? Discuss Pratyakṣa as a form of Pramāṇa. 1+5=6

ভাৰতীয় দৰ্শনত কেইটা প্ৰমাণ গ্ৰহণ কৰা হৈছে? প্ৰমাণৰ এটা প্ৰকাৰ হিচাপে প্ৰত্যক্ষৰ বিষয়ে আলোচনা কৰা।

★★★